# 2019

## ASSAMESE

## ( Major )

Paper : 5.2

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) 'অদ্ভূত ৰামায়ণ'ৰ ৰচক কোন?

(খ) ভীষ্মক কোনখন ৰাজ্যৰ ৰজা আছিল?

(গ) "হে কৌন্তেয়, ইন্দ্ৰিয়সমূহৰ লগত বিষয়ৰ সহযোগ হ'লে শীত-তাপ সুখ-দুখ আদিৰ বোধ জন্মে"—ইয়াত 'কৌন্তেয়' শব্দই কাক বুজাইছে?

(ঘ) 'গুৰু-সেৱা মাহাত্ম্য' পাঠটোৰ আধাৰ-গ্ৰন্থ কি?

(ঙ) ৰংপুৰ নগৰ কোনে নিৰ্মাণ কৰিছিল?

(চ) ত্ৰিপুৰা ৰজাই মোট খেলিবলৈ কোনখন নদীলৈ গৈছিল?

(ছ) দাৰুক কোন আছিল?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) 'গুৰু-সেৱা মাহাত্ম্য' পাঠটোত উল্লেখ থকা মতে গুৰু আৰু ভকতৰ প্ৰধান লক্ষণসমূহ কি কি ?

(খ) ৰুদ্ৰসিংহই তেওঁৰ শাসনকালত সম্পন্ন কৰা যি কোনো দুটা জনহিতকৰ কামৰ উদাহৰণ দিয়া।

(গ) ত্ৰিপুৰা ৰাজ্যলৈ যোৱা আহোম ৰজাৰ কটকী দুগৰাকী কোন কোন আছিল ?

(ঘ) ''সতিনীৰ চেড়িতো অধিক ভৈলি''—কথাষাৰ কোনে, কি প্ৰসংগত কৈছিল, লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) কি কি কাৰণত ভট্টদেৱক অসমীয়া গদ্য সাহিত্যৰ পথ-প্ৰদৰ্শক বুলি অভিহিত কৰা হয় ? যুক্তি দৰ্শোৱা।

(খ) যুদ্ধক্ষেত্ৰলৈ আহি অৰ্জুনে কিয় যুদ্ধ নকৰোঁ বুলি ধনুশৰ এৰি বহি পৰিছিল, চমুকৈ লিখা।

(গ) ''সৰ্ব্বকালে গোহাঞিবোৰৰ এনেহে কথা''—ৰুদ্ৰসিংহই কথাষাৰ কাক উদ্দেশ্য কৰি কৈছিল আৰু কিয় ক'বলগীয়া হৈছিল, বুজাই লিখা।

(ঘ) শ্ৰীকৃষ্ণলৈ ৰুক্মিণীয়ে লিখা পত্ৰখনৰ মূল কথাখিনি চমুকৈ নিজৰ ভাষাৰে লিখা।

(ঙ) 'শ্ৰীযুত ব্ৰাওন চাহাবৰ পত্ৰ'ৰ আধাৰত 'অৰুণোদই'ৰ গদ্যৰীতিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

৪। (ক) 'ৰামৰ বন গমন' পাঠটোৰ আলমত ৰাম চৰিত্ৰৰ মহানুভৱতা কেনেদৰে প্ৰকাশ পাইছে, ব্যাখ্যা কৰা। ১০

*নাইবা*

(খ) 'ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক'—পাঠৰ আলমত ত্ৰিপুৰাৰ মদন পূজা আৰু মোটখেল সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১০

৫। (ক) 'গুৰু-সেৱা মাহাত্ম্য' পাঠটোৰ লেখক কোন? পাঠটোৰ মূল কথাখিনি চমুকৈ লিখা। ১০

*নাইবা*

(খ) 'শ্ৰীযুত ব্ৰাওন চাহাবৰ পত্ৰ'খন প্ৰথমে ক'ত প্ৰকাশ হৈছিল? পত্ৰখনৰ যোগেদি শ্ৰীযুত ব্ৰাওন চাহাবৰ ব্যক্তিত্ব আৰু চিন্তাৰ কোনবোৰ দিশ প্ৰতিফলিত হৈছে, বৰ্ণনা কৰা। ১০

৬। (ক) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' পাঠটোৰ আধাৰত শংকৰদেৱৰ অংকীয়া নাটৰ গদ্যৰীতি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

*নাইবা*

(খ) অসমীয়া গদ্য সাহিত্যৰ ইতিহাসত বুৰঞ্জীৰ গদ্যৰ স্থান নিৰ্ণয় কৰি বুৰঞ্জীৰ গদ্যৰ বৈশিষ্ট্যপূৰ্ণ দিশসমূহ উল্লেখ কৰা। ১০

★★★